অধ্যায় ১০ ঃ নাৰীবাদ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ নাৰীবাদৰ ধাৰণা

১০.৪ নাৰীবাদৰ উৎস

১০.৫ নাৰীবাদৰ ক্রমবিকাশ

১০.৬ নাৰীবাদৰ লক্ষণ

১০.৭ উদাৰপন্থী নাৰীবাদ

১০.৮ চৰমপন্থী নাৰীবাদ

১০.৯ নাৰীবাদৰ সমালোচনা

১০.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১১ অধিক জানিবলৈ

১০.১২ অগ্রগতিৰ খতিয়ান

১০.১৩ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নাৰীবাদ কি জানিবলৈ সক্ষম হ'ব
- নাৰীবাদৰ উৎপত্তি আৰু ক্রমবিকাশ ব্যাখ্যা কৰিব পাৰিব
- নাৰীবাদৰ লক্ষণবোৰক জানিব পাৰিব
- উদাৰপন্থী নাৰীবাদ আৰু চৰমপন্থী নাৰীবাদৰ বিষয়ে আলোচনা কৰিব পাৰিব
- নাৰীবাদৰ সমালোচনাৰ বিষয়ে জানিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়টোৱে আপোনালোকক নাৰীবাদৰ সৈতে পৰিচয় কৰাই দিব। অধ্যায়টো অধ্যয়নৰ শেষত আপোনালোকে জানিব পাৰিব যে নাৰীবাদ হৈছে নাৰীসকলকো মানুহ হিচাপে

দাবী কৰাৰ উগ্ৰ মতবাদ। তদুপৰি কেনেকৈ নাৰীবাদী আন্দোলনে শিক্ষাৰ অধিকাৰ, কৰ্মৰ অধিকাৰ আৰু ভোটদানৰ অধিকাৰ আদিৰ সম্পৰ্কে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেই বিষয়েও আপোনালোকে জানিব পাৰিব।

১০.৩ নাৰীবাদৰ ধাৰণা

নাৰীবাদ হ'ল সমাজৰ পিতৃতান্ত্ৰিক আৰু পুৰুষ শাসিত সামাজিক গঠনৰ বিপৰীতে হোৱা এক আন্দোলন। নাৰীবাদে পৃথিৱীত নাৰীৰ অধিকাৰ, নাৰীমুক্তি আৰু নাৰী স্বাধীনতা আদি ধাৰণাবোৰৰ বিষয়ে আলোচনা কৰে।

এটা বাক্যত নাৰীবাদৰ সংজ্ঞা দিয়াটো ইমান সহজ নহয়। কিন্তু তথাপিও এইটো ক'ব পাৰি যে নাৰীবাদ এনে এক মত যি চিন্তা কৰে যে মহিলা বা নাৰীসকলো মানৱসত্তা। সময়ৰ পৰিৱৰ্তনৰ লগে লগে নাৰীবাদৰ দৃষ্টিভঙ্গী আৰু দৃষ্টিকোণ দুয়োটাই সলনি হোৱা পৰিলক্ষিত হয়। John Charvet এ তেওঁৰ "Feminism" (১৯৮২) নামৰ গ্ৰন্থত কৈছে যে নাৰীবাদ হৈছে এক ধাৰণা বা দৃষ্টিভঙ্গী, যি মতবাদ অনুসৰি পুৰুষ আৰু মহিলা সমান। Oxford Reference Dictionary ৰ মতেও "নাৰীবাদ" হৈছে এক আন্দোলন বা তত্ব যি সমানতা আৰু লিঙ্গৰ ভিত্তিত নাৰীৰ অধিকাৰক সমৰ্থন কৰে। Kamala Bhasin আৰু Night Said Khan এ তেওঁলোকৰ 'Feminism' নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে, নাৰীবাদ হৈছে সমাজত, পৰিয়ালত তথা কাৰ্যালয় আদিত নাৰীৰ ওপৰত কৰা শোষণৰ বিৰুদ্ধে সমগ্ৰ বিশ্বৰ নাৰী আৰু পুৰুষৰ মাজত চেতনা জগাই তোলা এটা প্ৰক্ৰিয়া। 'নাৰীত্ব' (Feminist) পদটোৱে দৰাচলতে নাৰী চিন্তাবিদসকলক নুবুজায়। নাৰীবাদী চিন্তাবিদ বুলি ক'লে প্ৰকৃত্বতে নাৰী বা পুৰুষ উভয়ৰে যিসকলে নাৰীৰ অধিকাৰ নাৰীমুক্তি আৰু নাৰীস্বাধীনতাৰ বিষয়ে চিন্তা কৰে তেওঁলোককে বুজা যায়। বহুতো পুৰুষ চিন্তাবিদেও নাৰী স্বাধীনতা তথা নাৰীমুক্তিৰ বিষয়ে ভাৱে বা চিন্তা কৰে।

১০.৪ নাৰীবাদৰ উৎপত্তি

বৰ্তমান সময়ত যেতিয়াই গুৰুত্বপূৰ্ণ সামাজিক আৰু ৰাষ্ট্ৰীয় দাৰ্শনিক অধ্যয়ন জড়িত হয় তেতিয়াই তাতে নাৰীবাদে এক উল্লেখযোগ্য ভূমিকা পালন কৰে। বহুতো সামাজিক চিন্তাবিদৰ মতে, নাৰীবাদ হৈছে পুৰুষশাসিত সমাজৰ বিৰুদ্ধে গঢ়ি উঠা এক আন্দোলন, য'ত নাৰীৰ অধিকাৰক (সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি) পুৰুষৰদ্বাৰা আৰু তেনেধৰণৰ সমাজৰ সামাজিক প্ৰক্ৰিয়াৰদ্বাৰা শাসন আৰু শোষন কৰা হয়।

প্ৰকৃততে, নাৰীবাদৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে এক নিৰ্দিষ্ট সংজ্ঞা বিচাৰি পোৱাটো কঠিন। কিন্তু তথাপিও প্ৰাচীন গ্ৰীচ আৰু চীনৰ সভ্যতা আৰু সংস্কৃতিত নাৰীবাদৰ

সম্পর্কে কিছু মতবাদ বিচাৰি পোৱা যায়। কোনো উপযুক্ত সামাজিক তথ্য ইয়াত দৃষ্টিগোচৰ নহয়।

মধ্যযুগত, ১৪০৫ চনত "Book of the City of Ladies" নামৰ গ্ৰন্থৰ এখন (Christine de Pisaw) ৰ দ্বাৰা প্ৰকাশ কৰা হৈছিল। এই গ্ৰন্থখনত প্ৰাচীন যুগৰ নাৰীসকলৰ বহুতো কাৰ্য আৰু অৱদান উল্লেখ কৰা আৰু বৰ্ণনা কৰা হৈছিল। এই গ্ৰন্থখনত কিছুমান গুৰুত্বপূৰ্ণ বিষয় যেনে— নাৰী শিক্ষা বা নাৰীৰ ভোটদানৰ অধিকাৰ আদিও আলোচনা কৰা হৈছিল। তেখেতৰ গ্ৰন্থখনত তেখেতে আধুনিক নাৰীবাদৰো বহুতো বিষয় উল্লেখ কৰিছিল।

১৮ শ শতিকাত, নাৰীবাদ আৰু নাৰীবাদী বিপ্লৱৰ বিষয়ে এক উপযুক্ত প্ৰকাশভঙ্গী বিচাৰি পোৱা গৈছিল ১৯৭২ চনত Marry Woustonecraft এ ৰচনা কৰা "A Vindication of Right of Women" নামৰ গ্ৰন্থখনত। এই গ্ৰন্থখনত লিখকৰ দ্বাৰা নাৰী শিক্ষা আৰু নাৰীৰ ভোটদানৰ অধিকাৰৰ ওপৰত এক কাঢ়া নিৰ্দেশ দিয়া হৈছিল।

১৮৪৫ চনত, Margaret Fuller এ "Women in the Niniteenth Century" নামৰ আন এখন গ্ৰন্থ ৰচনা কৰিছিল। এই গ্ৰন্থখনত তেখেতে নাৰীসকলৰ অৱস্থাসমূহৰ আলোচনা কৰিছিল। ঠিক ইয়াৰ পিছতে ১৮৪৯ চনত J.S. Mill আৰু H. Tylor যুটীয়াভাৱে "The Subjection of Women" নামৰ গ্ৰন্থখনৰ ৰচনা কৰে। এই গ্ৰন্থখনত নাৰীৰ সামাজিক আৰু অৰ্থনৈতিক অধিকাৰ আৰু ৰাজনৈতিক ক্ৰিয়াকলাপবোৰ অতি বিস্তৃতভাৱে আৰু সাধাৰণভাৱে আলোচনা কৰা হৈছিল। ইয়াত লিখকসকলে কৈছিল যে, এগৰাকী নাৰীয়ে এখন দেশৰ কৰ্তব্যৰ বাবে ৰাজনৈতিক আৰু আইনী অধিকাৰ দুয়োটাই পোৱাটো উচিত।

উনবিংশ শতিকাত, নাৰীৰ ভোটদানৰ অধিকাৰ সম্পৰ্কত এক বিপ্লৱৰ সূচনা হৈছিল। ইয়াক প্ৰাথমিক তৰংগৰ নাৰীবাদ (First Wave Feminism) ৰূপে স্বীকাৰ কৰা হৈছিল। কাৰণ নাৰীৰ বিপৰীতে ইয়াক গ্ৰহণ কৰাৰ বাবে নাৰীৰ বিৰুদ্ধে বহুতো সমাধান কৰিব নোৱাৰা সামাজিক ধৰ্মোপদেশ বিচাৰি পোৱা গৈছিল। ১৮৯৩ চনত পোন প্ৰথমবাৰৰ কাৰণে নিউজিলেণ্ডত মহিলাৰ ভোটদানৰ অধিকাৰক স্বীকাৰ কৰা হৈছিল। ১৯০৩ চনত অষ্ট্ৰেলিয়াত, ১৯০৬ চনত ফিনলেণ্ডত, নৰৱেত, ১৯১৫ চনত আইলেণ্ডত, ১৯১৭ চনত কানাডা, জাৰ্মানী আৰু পোলেণ্ডত মহিলাৰ ভোটদানৰ অধিকাৰক মান্যতা প্ৰদান কৰা হৈছিল। অৱশ্যে অতি শেহতীয়াকৈ হ'লেও গ্ৰেট ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰতো ক্ৰমান্বয়ে ১৯১৮ আৰু ১৯২০ চনত মহিলাৰ ভোটদানৰ অধিকাৰক স্বীকাৰ কৰা হৈছিল।

কিন্তু এই খিনিতে উত্থাপন কৰিবলগীয়া প্ৰয়োজনীয় সত্যটো হ'ল যে মহিলা ভোটাধিকাৰক স্বীকাৰ কৰাৰ পিছত এই আন্দোলন শক্তিশালী হোৱাৰ পৰিৱৰ্তে ই অধিক দুৰ্বল হোৱাটোহে পৰিলক্ষিত হ'ল। কাৰণ বহু সংখ্যক নাৰীবাদী দাৰ্শনিকে ভাৱিছিল যে যেতিয়া এগৰাকী নাৰীয়ে ভোটদানৰ অধিকাৰ লাভ কৰিব তেতিয়া নাৰী মুক্তিয়ে গতি লাভ কৰিব।

সেয়েহে কুৰি শতিকাৰ পিছত নাৰীবাদী আন্দোলন এক নতুন ৰূপত গঢ় লৈ উঠে। ইয়াক দ্বিতীয় তৰংগ নাৰীবাদ বুলি কোৱা হয়।

দ্বিতীয় তৰংগ নাৰীবাদ স্বভাৱতে বৈপ্লৱিক। সেয়েহে ইয়াক চৰম নাৰীবাদ বুলি কোৱা হয়। এই পর্যায়ত, লিঙ্গ বৈষম্যক সমাজৰে সৃষ্টি বুলি অভিহিত কৰা হয়। এই যুগত আলোচনা কৰা হয় যে কেৱল ৰাজনৈতিক আৰু আইনী অধিকাৰ প্রদানৰ দ্বাৰাই মহিলাৰ সমস্যাবোৰ সমাধান কৰিব নোৱাৰি। চৰমপন্থী নাৰীবাদে সেয়েহে সমগ্র সামাজিক প্রক্রিয়াটোক সলনি কৰিব বিচাৰিছিল। তেওঁলোকৰ মতে, কেৱল সামাজিক গাঠনিটোক সলনি কৰিব পাৰিলেহে মহিলাৰ ক্রমবিকাশ আৰু মুক্তি সম্ভৱ হ'ব। এই সম্পর্কত আমি Virginia Woolf ৰ নাম উল্লেখ কৰিব পাৰোঁ। Virginia Woolf এ "A Room One's Own (১৯২৩)" নামৰ এখন গ্রন্থ ৰচনা কৰিছিল য'ত তেওঁ পিতৃতান্ত্রিক সামাজিক গাঁথনি আৰু পুঁজিবাদৰ বিৰুদ্ধে এক বিপ্লৱৰ সূচনা কৰিছিল। Woolf ৰ মতে, এখন সমাজ এনেকুৱা হ'ব লাগে য'ত পিতৃতান্ত্রিক সামাজিক গাঁথনি নাথাকে। প্রতিজন ব্যক্তিৰে জীৱন সৌন্দর্য্যপূর্ণ আৰু সম্পূর্ণকৈ গঢ়ি তোলাটোহে সমাজৰ লক্ষ্য হ'ব লাগে।

দ্বিতীয় তৰংগৰ নাৰীবাদৰ ক্রমবিকাশৰ সম্পর্কত যিসকল নাৰীবাদী চিন্তাবিদৰ নাম বিশেষভাৱে লেখতল'বলগীয়া তেওঁলোকৰ ভিতৰত Simone de Beauvoir ৰ নাম উল্লেখযোগ্য। Beauvoir এ "The Second Sex" নামৰ বিখ্যাত ৰচনা কৰিছিল। এই গ্রন্থখনত গুৰুত্বপূর্ণ নাৰীবাদী গুণবোৰক সন্মুখত ৰাখি তেখেতে পুৰুষকেন্দ্রীক সামাজিক গাঁথনিক সমালোচনা কৰিছিল। Simone de Beauvoir এ ৰাজনৈতিক আৰু অর্থনৈতিক বিষয়বোৰত মহিলাৰ সমান অধিকাৰত গুৰুত্ব প্রদান কৰিছিল।

দ্বিতীয় তৰংগৰ নাৰীবাদৰ ক্ষেত্রত উল্লেখকৰিবলগীয়া অন্য এটা নাম হ'ল নাৰীবাদী দার্শনিক Belty Friedman, ১৯৬৩ চনত Friedman এ "The Feminist Mystique" নামৰ এখন গ্রন্থ ৰচনা কৰিছিল। এই গ্রন্থখনত তেখেতে সমাজত থকা নাৰী বৈষম্যক স্বীকাৰ কৰিছিল। Belty Friedman এ মহিলাৰ বাবে "NOW" নামৰ এটা সংস্থা আৰম্ভ কৰিছিল। ইয়াৰ সম্পূর্ণ নাম হ'ল "National Organisation for Women" (মহিলাৰ বাবে ৰাষ্ট্রীয় সংগঠন)। এই সংগঠনৰ লক্ষ্য হ'ল সমাজৰ লিঙ্গ বৈষম্যৰ বিৰুদ্ধে এক বিপ্লৱৰ সূচনা কৰা।

১০.৫ নাৰীবাদৰ ক্রমবিকাশ

নাৰীবাদৰ ক্রমবিকাশৰ ক্ষেত্রত Germaine Greer Frigate, আৰু Kate Millett আদিৰ নাম উল্লেখযোগ্য। ১৯৭০ চনত, এই তিনিজন দার্শনিকে তিনিখন গ্রন্থ প্রকাশ কৰিছিল। Greer এ "The Female Eunuch" নামৰ গ্রন্থখন ৰচনা কৰিছিল। Frigate এ "Patriarchal Attitudes"

নামৰ গ্ৰন্থখন ৰচনা কৰিছিল। Millett এ "Sexual Politics" নামৰ গ্ৰন্থখন ৰচনা কৰিছিল। উল্লেখিত এই তিনিওখন গ্ৰন্থতে নাৰীবাদৰ সপক্ষে কিছুমান গুৰুত্বপূৰ্ণ তথ্য আৰু যুক্তি বিচাৰি পোৱা যায়।

কুৰি শতিকাৰ শেষৰফালেও কিছুমান উল্লেখযোগ্য গ্ৰন্থ প্ৰকাশিত হৈছিল যি নাৰীবাদৰ ক্ৰমবিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সেই গ্ৰন্থসমূহ হ'ল R. Richards ৰ "The Sceptical Feminism (১৯৮২)", R. Richards আৰু S. M. Okin এ যুটীয়াভাৱে ৰচনা কৰা "Gender, Justice and Family" (১৯৯৩), আৰু Naomi Wolf এ ৰচনা কৰা "Fire with Fire"।

এনেদৰে নাৰীবাদৰ ক্ৰমবিকাশৰ বিষয়টোত বিভিন্ন লিখক আৰু চিন্তাবিদে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আজিৰ দিনত "নাৰীবাদ" হ'ল এক স্বতন্ত্ৰ চিন্তা বা দৰ্শন।

১০.৬ নাৰীবাদৰ লক্ষণসমূহ

(ক) নাৰীবাদ হৈছে পিতৃতান্ত্ৰিক সমাজ গাঁথনিৰ বিৰুদ্ধে এক আন্দোলন। নাৰীবাদ কোনো ব্যক্তিগত, দেশ বা দল বিৰোধী আন্দোলন নহয়। ই এক বিপ্লৱ, যি নাৰীৰ অধিকাৰৰ বিপক্ষে গঢ়ি উঠা নিয়মবোৰ বন্ধ কৰাত অধিক গুৰুত্ব দিয়ে।

(খ) নাৰীবাদে এগৰাকী নাৰীৰ নাৰীত্বক অস্বীকাৰ নকৰে। নাৰীবাদৰ মূল লক্ষ্য হ'ল এগ ৰাকী নাৰীক এগৰাকী সম্পূৰ্ণ নাৰীৰূপে প্ৰতিষ্ঠা কৰা।

(গ) নাৰীবাদ হ'ল সমাজৰ লিঙ্গ বৈষম্যৰ বিৰুদ্ধে গঢ় লৈ উঠা এক আন্দোলন। পুৰুষ আৰু মহিলাৰ মাজত জৈৱিক বৈচিত্ৰ্য থাকে যাক কেতিয়াও অগ্ৰাহ্য বা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু পুৰুষ আৰু মহিলাৰ মাজৰ সামাজিক বৈষম্য এনেকুৱা এক বস্তু যাক সমাজৰদ্বাৰা সৃষ্টি কৰা হয় আৰু নাৰীবাদে ইয়াৰ বিৰোধীতা কৰে।

(ঘ) নাৰীবাদ হ'ল এক বিপ্লৱ, যি সমাজৰ মানসিক দৃষ্টিভঙ্গীক সলনি কৰিবলৈ যত্ন কৰে। পুনৰ, বহুতো বিজ্ঞাপনত নাৰীক অতি নিম্নভাৱে উপস্থাপন কৰা দেখা যায়। ইও নাৰীৰ বিৰুদ্ধে এক বৈষম্য। এইটো বিশ্বাস কৰা হয় যে উপযুক্ত শিক্ষাৰ দ্বাৰা পুৰুষ আৰু মহিলাৰ মাজত থকা বৈষম্যবোৰ দূৰ কৰিব পৰা যায়।

(ঙ) নাৰীবাদৰ মতে, পুৰুষ আৰু মহিলা দুয়োটাই ইটো-সিটোৰ পৰিপূৰক। এটাৰ অবিহনে আনটোৰ কথা চিন্তা কৰিব নোৱাৰি। পুৰুষ আৰু মহিলা উভয়ৰে যুটীয়া অৱদানৰ অবিহনে এখন আদৰ্শ সমাজ কেতিয়াও প্ৰতিষ্ঠা কৰিব নোৱাৰি।

(চ) Simone de Beauvoir এ তেখেতৰ "The Second Sex" নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে যে এগৰাকী মহিলাৰ যত্ন লোৱা আৰু প্ৰতিপাল কৰাৰ যি গুণ সেইয়াও এখন

সমাজৰ বাবে অতি প্ৰয়োজনীয়। কিন্তু ইয়াৰ দ্বাৰা এগৰাকী মহিলাক এজন পুৰুষতকৈ নিম্নস্তৰৰ বুলি ক'ব নোৱাৰি। মহিলাৰ লক্ষ্য হ'ল নিজকে এগৰাকী উপযুক্ত হিচাপে প্ৰতিষ্ঠিত কৰা এজন পুৰুষ হিচাপে নহয়।

(ছ) প্ৰকৃততে নাৰীবাদ হৈছে এক মানবীয় দৃষ্টিভঙ্গী। কাৰণ ই সকলো মানৰ সত্তাৰে অধিকাৰৰ বিষয়ে মতামত দিয়ে। নাৰীবাদ হৈছে সমাজবাদ আৰু সাম্প্ৰদায়িকতাবাদৰ সমৰ্থক। কিয়নো নাৰীবাদে সম্পূৰ্ণৰূপে লিঙ্গ বৈষম্যক অস্বীকাৰ কৰে।

(জ) নাৰীবাদ হ'ল অস্তিত্ববাদী দৰ্শনৰ দৃষ্টিভংগী। প্ৰত্যেক মানৰ সত্তাই এক স্ব-চেতনাযুক্ত সত্তা। সেয়েহে সকলো মহিলাই স্বতন্ত্ৰ আৰু অস্তিত্বশীল।

নাৰীবাদক বিস্তৃতভাৱে দুটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল — উদাৰপন্থী নাৰীবাদ আৰু চৰমপন্থী নাৰীবাদ। সেইবোৰ তলত আলোচনা কৰা হ'ল —

১০.৭ উদাৰপন্থী নাৰীবাদ

উদাৰপন্থী নাৰীবাদ হ'ল প্ৰাথমিক পৰ্যায়ৰ নাৰীবাদ এই দৃষ্টিভঙ্গীয়ে মানৰ স্বাধীনতা আৰু বুদ্ধিবাদৰ দিশৰপৰা মহিলাৰ সংজ্ঞা দিবলৈ চেষ্টা কৰিছিল। এই মতবাদৰ মতে, মহিলাসকল মুক্ত সত্তা আৰু তেওঁ সম্পূৰ্ণৰূপে এটা বুদ্ধিবৃত্তিসম্পন্ন সত্তা। এই মতবাদ অনুসৰি পৃথিৱীৰ সকলো মানৰ সত্তাৰে সমভাৱে জীয়াই থকাৰ অধিকাৰ আছে। নাৰীও এটা মানৰ সত্তা আৰু ব্যক্তি। সেয়েহে এগৰাকী নাৰীৰো এই পৃথিৱীত সমভাৱে জীয়াই থকাৰ অধিকাৰ আছে। প্ৰত্যেক মানৰ সত্তাৰে এক সামাজিক, সাংস্কৃতিক আৰু নৈতিক মূল্য আছে। জাতি-বৰ্ণ-ধৰ্ম আৰু লিঙ্গ নিৰ্বিশেষে সকলো মানৰ সত্তাই সমাজত সমঅধিকাৰ পাব লাগে আৰু যিহেতু নাৰীও এক মানৰ সত্তাই সেয়েহে তেওঁ ও সমাজত সমঅধিকাৰ পাব লাগে। এই মতবাদে মহিলাৰ শিক্ষাৰ অধিকাৰ, ভোটদানৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, চাকৰিৰ অধিকাৰ আদি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰে। নাৰীবাদী সমাজ দাৰ্শনিক Marry Woustonecraft, J.S. Mill, Harriet Tylor, Betty Friedman, R. Richards, S.M. Okin আৰু Naomi Wolf আদি উদাৰপন্থী নাৰীবাদৰ সমৰ্থক আছিল।

এই সম্পৰ্কত Woustonecraft এ লিখা "A Vindication of Right of Women (১৯৭২)" নামৰ গ্ৰন্থখনৰ কথা উল্লেখ কৰিব পাৰি। Woustonecraft ৰ মতে, এজন পুৰুষৰ দৰে এগৰাকী মহিলাইও সমাজত সমান অধিকাৰ পোৱাৰ যোগ্য। এইগৰাকী নাৰীবাদী চিন্তাবিদে মহিলাৰ শিক্ষাৰ অধিকাৰৰ ওপৰত অধিক গুৰুত্ব দিছিল আৰু তেখেতে কৈছিল যে কেৱলমাত্ৰ শিক্ষাৰ অধিকাৰৰ দ্বাৰাহে লিঙ্গ-বৈষম্য নিৰ্মূল কৰিব পৰা যায়। তেওঁ আৰু কৈছিল যে পুৰুষৰ নিচিনাকৈ এগৰাকী মহিলাও এক বুদ্ধিবৃত্তি সম্পন্ন ব্যক্তি। সেয়েহে লিঙ্গৰ ভিত্তিত কোনো বৈষম্যক

স্বীকাৰ কৰিব নোৱাৰি। Woustonecraft এ পুৰুষ আৰু মহিলাৰ মাজত কোনো ধৰণৰ মনোবিজ্ঞান সন্মত প্ৰভেদৰ স্বীকাৰ কৰা নাছিল।

J.S. Mill আৰু Tylor এ তেওঁলোকৰ "The Subjection of Women" নামৰ গ্ৰন্থখনত কার্যৰ অর্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক অধিকাৰৰ বিষয়ে উল্লেখ কৰিছিল। আধুনিক নাৰীবাদী মহিলাৰ যুক্তি আৰু বুদ্ধিবৃত্তিসম্পন্ন দিশৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। সেইকাৰণে বহুতো চিন্তাবিদে মহিলাৰ সামগ্ৰিক মানৱ অধিকাৰৰ ওপৰত গুৰুত্ব দিছিল। আধুনিক উদাৰপন্থী নাৰীবাদ হ'ল প্ৰকৃততে দ্বিতীয় তৰংগৰ নাৰীবাদ। আধুনিক উদাৰপন্থী নাৰীবাদ চিন্তাবিদ Betty Friedman এ তেখেতৰ ৰচিত "The Feminine Mystique" নামৰ গ্ৰন্থখনত নাৰী বিৰুদ্ধে বৈষম্যমূলক ব্যৱহাৰিক স্বীকাৰ কৰিছিল। এই গ্ৰন্থত Friedman এ সমাজৰ উচ্চ-মধ্যবৃত্ত শ্ৰেণীৰ মহিলাৰ বিষন্নতা আৰু যন্ত্ৰনাৰ বিষয়েও উল্লেখ কৰিছিল। আৰু তেওঁৰ "NOW" নামৰ সংস্থাটোৱে সমাজৰ পৰম্পৰাগত লিঙ্গ-বৈষম্যৰ বিপৰীতে এক বিপ্লৱৰ সূচনা কৰিবলৈ চেষ্টা কৰিছিল। প্ৰধান দাবীবোৰ আছিল গর্ভপাতক বৈধ বুলি গ্ৰহণ কৰা, ঘৰুৱা কাম-কাজ আৰু সন্তানৰ লালন-পালনত পুৰুষেও সমানে অংশগ্ৰহণ কৰা, শ্ৰমিকসকলৰ মজুৰিৰ ক্ষেত্ৰত থকা বৈষম্য আদি দূৰ কৰা ইত্যাদি। তেখেতে মহিলাৰ দীর্ঘদিনীয়া কষ্ট বা অত্যাচাৰৰ বাবেও ক্ষতিপূৰণৰ দাবী কৰিছিল। অন্যান্য কিছুমান গ্ৰন্থ যেনে —Richard ৰ দ্বাৰা ৰচিত "The Scripture Feminist" আদিৰ কথাও এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। Naomi Wolf এ তেখেতৰ "Fire with Fire" নামৰ গ্ৰন্থত নাৰীসকলক সাহসী আৰু নিভীক হ'বলৈ আহ্বান জনাইছিল।

সেয়েহে শেষত ক'ব পাৰি যে উদাৰপন্থী নাৰীবাদৰ প্ৰথম আদর্শতত্ব বা মূলমন্ত্ৰ হ'ল "সমতা স্থাপন কৰা"।

১০.৮ চৰমপন্থী নাৰীবাদ

চৰমপন্থী নাৰীবাদ স্বভাৱতে চৰম বা উগ্ৰ। ই কোনোপধ্যে উদাৰপন্থী নাৰীবাদৰ নিচিনা নহয়। চৰমপন্থী নাৰীবাদ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰদ্বাৰা উৎসাহিত হৈছিল আৰু প্ৰধানকৈ সমাজবাদ আৰু মার্ক্সবাদৰ ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। চৰমপন্থী নাৰীবাদৰ মতে, পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা সম্পূর্ণৰূপে লিঙ্গবৈষম্যৰ বাবে দায়ী, যি মানৱ গঠিত আৰু সমাজৰ দ্বাৰা গঠিত। পৰিয়াল ব্যৱস্থা, জাতীয় ব্যৱস্থা ইত্যাদি সকলোবোৰ পুৰুষ সৃষ্ট। তেওঁলোকে নাৰীক শাসন কৰা সকলোবোৰ প্ৰক্ৰিয়া সৃষ্টি কৰে। চৰমপন্থী নাৰীবাদৰ মতে প্ৰকৃততে পুৰুষ আৰু মহিলাৰ মাজত কোনোধৰণৰ পার্থক্য নাথাকে। এইটো লক্ষণীয় যে পুৰুষ আৰু মহিলাৰ মাজত বহুধৰণৰ কার্য ভাগ কৰি দিয়া হৈছিল। এইটো জৈৰিক বৈচিত্ৰতাৰ বাবে নহয়। কিন্তু এইবোৰ হ'ল সম্পূর্ণৰূপে পৰিৱেশৰদ্বাৰা সৃষ্ট কিছুমান বস্তু। গতিকে পুৰুষ আৰু মহিলাৰ মাজত সামাজিক

বৈষম্য থকা কথাটো সম্পূর্ণৰূপে অমূলক। চৰমপন্থী নাৰীবাদে এখন আদর্শযুক্ত সমাজক বিশ্বাস কৰে, যিখন সমাজ স্ত্রী-পুৰুষৰ সম্বন্ধৰ ক্ষেত্রত অন্ধ। একোখন প্রদেশৰ যিকোনো বৃত্তিতে পুৰুষ আৰু মহিলাৰ ভিত্তিত অগ্রাধিকাৰ দিয়া হয়। একোখন সমাজত মানৱ সত্তাক পুৰুষ বা মহিলা হিচাপে গণ্য কৰাৰ পৰিৱর্তে মানুহ হিচাপেহে গণ্য কৰা হয়।

চৰমপন্থী নাৰীবাদৰ মতে, পৰিয়াল হ'ল এটা সামাজিক অনুষ্ঠান। কিন্তু একোটা পৰিয়ালত সদায়ে এগৰাকী মহিলাকে শাসন কৰা বা অৱহেলা কৰাহে দেখা যায়। চৰমপন্থী নাৰীবাদ পৰিয়াল ব্যৱস্থাৰ বিপৰীতমুখী। তেওঁলোকৰ মতে, পৰিয়াল হ'ল এনে এক ব্যৱস্থা য'ত মহিলাক শাসন কৰা হয় আৰু তেওঁলোকক সকলো প্রকাৰৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হয়। দৰাচলতে পৰিয়াল হ'ল কেৱল এক মাধ্যম যাক পুৰুষে মহিলাক শোষণ কৰাৰ বাবে ব্যৱহাৰ কৰে। চৰমপন্থী নাৰীবাদৰ মতে, ঘৰুৱা হিংসা, যৌন শোষণ ইত্যাদিৰ দ্বাৰা প্রকৃততে পুৰুষে মহিলাক গর্ভৱতী কৰিবলৈ, সন্তান জন্ম দিবলৈ আৰু সিহঁতৰ লালন পালন কৰিবলৈ ব্যৱহাৰ কৰে। সেয়েহে চৰমপন্থী নাৰীবাদে বিশ্বাস কৰে যে মহিলাৰ উদগতিৰ কাৰণে আৰু সমভাৱাপন্ন সমাজ এখন প্রতিষ্ঠা কৰিবৰ কাৰণে পৰিয়াল প্রথা বন্ধ কৰাটোও সমানে প্রয়োজনীয়। চৰমপন্থী নাৰীবাদৰ ক্ষেত্রত উল্লেখনীয় আন এটা নাম হ'ল Simone de Beauvoir। ১৯৪৯ চনত তেখেতে "The Second Sex" নামৰ এখন বিখ্যাত গ্রন্থ প্রকাশ কৰিছিল। এই গ্রন্থখনত তেখেতে উল্লেখ কৰিছিল যে "কোনো এজন জন্ম নহয়, কিন্তু এগৰাকী মহিলালৈ ৰূপান্তৰ ঘটে।" Beauvoir এ পুৰুষৰ দৰে এক মুক্ত আৰু উদাৰ জীৱন-যাপন কৰিছিল। পুৰুষৰ গুণবোৰক সমাজৰ দ্বাৰা নির্ভীক, উদাৰ, যোগ্য, মুক্ত আৰু শক্তিশালী গুণ হিচাপে স্বীকাৰ কৰা হৈছিল।

১০.৯ নাৰীবাদৰ সমালোচনা


বর্তমান সমাজত নাৰীবাদৰ এক বৃহৎ আদর্শমূলক আৰু ব্যৱহাৰিক মূল্য আছে। ঐতিহাসিক আৰু আদর্শাত্মক দৃষ্টিকোণৰ পৰা এইটো স্পষ্ট হৈ পৰে যে নাৰীবাদ অ-পুৰুষবাদী মতবাদ নহয়। কিন্তু নাৰীবাদে পুৰুষসকলৰ মানসিকতাৰ পৰিবর্তন হোৱাটো বিশ্বাস কৰে। প্রকৃততে নাৰীবাদ হ'ল একপ্রকাৰ মানৱীয় দর্শন। এই দর্শনে সমাজত আদর্শাত্মক উন্নতি সাধন কৰিবলৈ বিচাৰে আৰু সকলোকে সমান অধিকাৰ প্রদান কৰিবলৈ যত্ন কৰে।

নাৰীবাদৰ প্রয়োজনীয়তাক আৰু বিশেষত্বক কেতিয়াও নুই কৰিব নোৱাৰি। কিন্তু তথাপিও এই দর্শনে বহুতো সমালোচনাৰ সন্মুখীন হ'বলগীয়া হয়।

প্রথমতে, এইটো কোৱা হয় যে যদিও নাৰীবাদে পুৰুষ শাসিত সমাজৰ পৰা নাৰীক মুক্ত আৰু স্বাধীন কৰিবলৈ চেষ্টা কৰে; তথাপি কিন্তু দেখা যায় যে বহুসংখ্যক মহিলাই ইচ্ছাকৃতভাৱে পুৰুষৰ অধীন হৈ জীয়াই থাকিবলৈ বিচাৰে।

দ্বিতীয়তে, যদিও নাৰীবাদৰ সংজ্ঞা বা ধাৰণাৰ ক্ষেত্ৰত বহুসংখ্যক দৃষ্টিভংগী উপস্থাপন কৰা হয়, সেই দৃষ্টিভংগীসমূহৰ মাজত কিন্তু একতা দেখা নাযায়। অৰ্থাৎ ধাৰণাবোৰৰ ক্ষেত্ৰত স্পষ্টতাৰ অভাব পৰিলক্ষিত হয়।

তৃতীয়তে, নাৰীবাদে বৰ্তমানৰ সামাজিক ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে মহিলাৰ স্বাধীনতাৰ বাবে এক আদৰ্শাত্মক পথৰ সহায় লয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ১৯৮২ চনত ৰচনা কৰা "Feminism" গ্ৰন্থখনৰ ৰচক কোন?

.....

.....

প্ৰশ্ন ২ ঃ Feminist শব্দৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন ৩ ঃ কোন চনত "Book of the City of Ladies" গ্ৰন্থখন ৰচনা কৰা হৈছিল?

.....

.....

প্ৰশ্ন ৪ঃ "A Vindication of Right of Women" গ্ৰন্থখনৰ লিখক কোন?

.....

.....

প্ৰশ্ন ৫ ঃ নাৰীবাদৰ ভাগ দুটা কি কি?

.....

.....

প্ৰশ্ন ৬ ঃ "NOW" ৰ সম্পূৰ্ণ অৰ্থ কি?

.....

.....

প্ৰশ্ন ৭ ঃ "The Subjection of Women" নামৰ গ্ৰন্থখনৰ লিখক কোন?

.....

.....

প্ৰশ্ন ৮ ঃ "কোনো এজন ব্যক্তিৰ জন্ম নহয়, কিন্তু এগৰাকী মহিলালৈ ৰূপান্তৰ হয়" কথাষাৰ কোনে কৈছিল?

.....

.....



১০.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাৰীবাদ হৈছে পিতৃতান্ত্ৰিক সমাজব্যৱস্থা আৰু পুৰুষশাসিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে এক আন্দোলন।
- নাৰীবাদ হ'ল মহিলাও যে মানৱ সত্তা সেই সম্পৰ্কে চিন্তা কৰাৰ এক প্ৰকাৰ চৰম মতবাদ।
- পুৰুষ আৰু মহিলা নিৰ্বিশেষে যিসকলে মহিলাৰ অধিকাৰ মহিলাৰ মুক্তি আৰু স্বাধীনতাৰ বিষয়ে চিন্তা কৰে তেওঁলোককে নাৰীবাদী চিন্তাবিদ হিচাপে স্বীকাৰ কৰা হয়। বহুসংখ্যক পুৰুষ চিন্তাবিদেও মহিলাৰ মুক্তি আৰু স্বাধীনতাৰ বিষয়ে চিন্তা কৰিছিল।
- বৰ্তমান সময়ত যেতিয়াই সামাজিক আৰু জাতীয় দাৰ্শনিক অধ্যয়নবোৰ জড়িত হৈ থাকে তাতেই নাৰীবাদে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- বহুসংখ্যক সামাজিক চিন্তাবিদৰ মতে নাৰীবাদৰ হৈছে পুৰুষতান্ত্ৰিক সমাজৰ বিৰুদ্ধে এক আন্দোলন য'ত মহিলাৰ অধিকাৰসমূহক (সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি) পুৰুষৰদ্বাৰা আৰু সমাজৰ সামাজিক প্ৰথাৰ দ্বাৰা শোষণ কৰা হয়।
- Betty Friedman এ মহিলাসকলৰ বাবে "NOW" নামৰ এক সংস্থা গঢ়ি তুলিছিল। ইয়াৰ সম্পূৰ্ণ নাম হ'ল "National Organisation for Women"। এই সংস্থাটোৰ মূল লক্ষ্য হ'ল সমাজৰ লিঙ্গ বৈষম্যৰ বিৰুদ্ধে এক বিপ্লৱৰ সূচনা কৰা।

- মধ্যযুগত ১৪০৫ চনত Christine de Pisaw ৰ দ্বাৰা "Book of the City of Ladies" নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰা হৈছিল। এই গ্ৰন্থখনত প্ৰাচীন যুগৰ মহিলাসকলৰ বহুসংখ্যক ক্ৰিয়াকলাপ আৰু অৱদানৰ কথা উল্লেখ কৰা হৈছিল আৰু আলোচনা কৰা হৈছিল। এই গ্ৰন্থখনত কিছুমান গুৰুত্বপূৰ্ণ বিষয় যেনে — নাৰী শিক্ষা বা নাৰীৰ ভোটদানৰ অধিকাৰ আদিও আলোচনা কৰা হৈছিল।
- উদাৰপন্থী নাৰীবাদ হ'ল প্ৰধানতঃ প্ৰথম তৰংগৰ নাৰীবাদ। এই দৃষ্টিভঙ্গীয়ে নাৰীক মানৱ স্বাধীনতা আৰু বুদ্ধিবাদৰ দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। এই দৃষ্টিভঙ্গীৰ মতে, নাৰীসকল মুক্ত সত্তা আৰু তেওঁ সম্পূৰ্ণৰূপে এগৰাকী জ্ঞানী সত্তা।
- চৰমপন্থী নাৰীবাদ স্বভাৱতে চৰম বা উগ্ৰ। ই উদাৰপন্থী নাৰীবাদৰ দৰে উদাৰ নহয়।
- চৰমপন্থী নাৰীবাদ পিতৃতান্ত্ৰিক সমাজব্যৱস্থাৰ দ্বাৰা অনুপ্ৰাণিত হয় আৰু মাৰ্ক্সবাদ বা সমাজবাদৰ ধাৰণাৰদ্বাৰা প্ৰভাৱিত হয়।
- চৰমপন্থী নাৰীবাদৰ মতে, প্ৰচলিত পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা সম্পূৰ্ণৰূপে লিঙ্গ-বৈষম্যৰ বাবে জগৰীয়া যিটো মানৱ সৃষ্ট আৰু সমাজ সৃষ্ট। পৰিয়াল ব্যৱস্থা, জাতি ব্যৱস্থা ইত্যাদি সকলোবোৰ পুৰুষেই সৃষ্টি কৰে।
- তেওঁলোকেই নাৰীসকলক শাসন কৰিবৰ বাবে সকলোবোৰ বিধি-নিয়মৰ সৃষ্টি কৰে। চৰমপন্থী নাৰীবাদৰ মতে, প্ৰকৃততে পুৰুষ আৰু মহিলাৰ মাজত কোনো ধৰণৰ প্ৰভেদ নাই।
- Simone de Beauvoir এ তেখেতৰ "The Second Sex" নামৰ গ্ৰন্থখনত উল্লেখ কৰিছিল যে "কোনো এজন ব্যক্তিৰ জন্ম নহয় কিন্তু এগৰাকী মহিলালৈ ৰূপান্তৰহে হয়" Beauvoir এ এজন পুৰুষৰ নিচিনাকৈ এটা মুক্ত জীৱন-যাপন কৰিছিল। পুৰুষৰ গুণবোৰ হ'ল নিৰ্ভীকতা, সমতা, যোগ্যতা, স্বাধীন আৰু শক্তিশালী।



১০.১১ অধিক জানিবলৈ

1. Beauvoir. S.D (2011). The Second Sex. Vintage Books.
2. Friedman, B. (1963). The Feminine Mystique. W.W. Nation and Co.
3. Hooks, B. (2000). Feminist Theory. From Margin to Center. Pluto Press.
4. Schneir, M. (1994). Feminism. The Essential Historical Writings. Vintage Books.

১০.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ John Charvet।

২ নং প্রশ্নৰ উত্তৰ ঃ নাৰীবাদ চিন্তাবিদ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৪০৫ চনত।

৪ নং প্রশ্নৰ উত্তৰ ঃ Marry Woustonecraft।

৫ নং প্রশ্নৰ উত্তৰ ঃ উদাৰপন্থী নাৰীবাদ আৰু চৰমপন্থী নাৰীবাদ।

৬ নং প্রশ্নৰ উত্তৰ ঃ National Organisation for Women

৭ নং প্রশ্নৰ উত্তৰ ঃ J.S. Mill আৰু H. Tylor

৮ নং প্রশ্নৰ উত্তৰ ঃ Simone de Beauvoir এ কৈছিল।

১০.১৩ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ নাৰীবাদ কি?

প্রশ্ন ২ ঃ Kamala Bhasin আৰু Night Said এ নাৰীবাদক কিদৰে বর্ণনা কৰিছিল?

প্রশ্ন ৩ ঃ ঊনবিংশ শতিকাৰ "Women" নামৰ গ্রন্থখনৰ লিখক কোন?

প্রশ্ন ৪ ঃ "The Second Sex" নামৰ গ্রন্থখন কোনে ৰচনা কৰিছিল?

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ নাৰীবাদৰ ক্রমবিকাশৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন ২ ঃ উদাৰপন্থী নাৰীবাদৰ চমুকৈ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ চৰমপন্থী নাৰীবাদ কি? চমুকৈ বর্ণনা কৰক।

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ নাৰীবাদৰ উৎস বা উৎপত্তি বর্ণনা কৰক।

প্রশ্ন ২ ঃ নাৰীবাদৰ বৈশিষ্ট্যসমূহ কি কি? আলোচনা কৰক।

প্রশ্ন ৩ ঃ নাৰীবাদৰ সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক।

** ****** **